# 2021

( Held in 2022 )

# ASSAMESE

( Major )

Paper : 5.1

( পুৰণি অসমীয়া নাটক )

( Non-CBCS )

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। তলত দিয়াবোৰৰ অতি চমুকৈ উত্তৰ দিয়া : ১×৭=৭

(ক) নান্দীশ্লোক কি ?

(খ) অংকীয়া নাটত প্ৰভাৱ থকা এটি লোক-নাট্যানুষ্ঠানৰ নাম লিখা।

(গ) বিবাহৰ উদ্দেশ্য লৈ বিদৰ্ভ ৰাজ্যত শিশুপাল উপস্থিত হোৱা বতৰাটো ৰুক্মিণীক কোনে দিছিল ?

(ঘ) নলকুবেৰ আৰু মণিগ্ৰীৱ কাৰ শাপত শাপগ্ৰস্ত হৈ আছিল ?

(ঙ) মাধৱদেৱৰ কৃষ্ণ চৰিত্ৰটো 'পৰশুইৰ কথা কোৱা কালিৰ ছৱাল' বুলি কোনগৰাকী সমালোচকে উল্লেখ কৰিছে?

(চ) 'সুভদ্ৰাহৰণ' নাটৰ ভটিমাত উল্লেখ থকা 'কুবলয়' মানে কি?

(ছ) নাটৰ গাম্ভীৰ্য বঢ়াবলৈ গোপালদেৱে 'জন্মযাত্ৰা' নাটত কাৰ গীত সন্নিৱিষ্ট কৰিছে?

২। তলত দিয়াবোৰৰ চমু উত্তৰ দিয়া : ২×৪=৮

(ক) ঝুমুৰাৰ দুটা বিশেষত্ব লিখা।

(খ) "... হা হা যৈচে সিংহক ভাৰ্যাক শৃগালে অভিলাষ কয় থিক ...।" কথাষাৰ কোনে কৈছে? ইয়াত সিংহ আৰু শৃগাল বুলি কাক বুজোৱা হৈছে?

(গ) "নাহি জাতি কুল তাৰ আচাৰ বিচাৰ।
মাতুলক দুহিতা হৰলি দুৰাচাৰ॥"

উক্ত কথাষাৰ কোনে, কাক উদ্দেশ্যি কৈছে?

(ঘ) কংসই পূৰ্বতে এগৰাকী দানৱৰূপে জন্ম লাভ কৰিছিল বুলি কংসৰ আগত কোনে কৈছে? এই দানৱগৰাকীৰ নাম কি আছিল?





৩। তলত দিয়াবোৰৰ প্ৰসংগ-সংগতি দৰ্শাই ব্যাখ্যা কৰা (যি কোনো তিনিছোৱা) : ৫×৩=১৫

(ক) পাৱলো প্ৰভু বহু পুণ্যে হামু ৰঙ্ক।
হাতে হৰয় নিধি বিধি ভেল বঙ্ক॥
আৱল কৈচন নাথ অভাগীক লাই।
কাচক চাহিতে যেনো মাণিক হৰাই॥

(খ) যাবাসকল তোহাক ঈশ্বৰ জানিয়ে তোহাৰি চৰণ সেৱা কৰত তাবাসব সুখে সংসাৰ তৰয়, যে সৱে তোহাক ভজয়ে নাহি তাহেক কালৰূপে সংহাৰ কৰহ।

(গ) কৃষ্ণ যশোদাৰ মুখ চাই।
প্ৰেমভৰে নয়ন জুৰাই॥
গোপগণ উঠিয়া হৰিষে।
দধি দুগ্ধ সিঞ্চে দশোদিশে॥

(ঘ) কম্বুকণ্ঠে অনুপাম।
মুৰুতি যৈচন কাম॥
ভুজৰিপু দৰ্প বিনাশ।
বহল হৃদয় পৰকাশ॥

(ঙ) আহে বিধাতা, পৰম দেবকু দেবতা, সকল জগত সৃষ্টি কৰতা, হামাক ধৰ্ম অৰ্থ কাম মোক্ষ সকল সাধন হেতু নিৰ্মাণ কয়ল, সোহি ধৰ্ম দুষ্ট দৈত্য দানবে দূৰ কয়ল। তাহেৰ ভাৰ সহিতে নপাৰি, হামো অধোগতি যাওঁ, তোহাৰ আগে কি কহবো॥

৪। তলৰ যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখা : ১০×৩=৩০

(ক) সংস্কৃত নাটৰ সূত্ৰধাৰৰ লগত অংকীয়া নাটৰ সূত্ৰধাৰৰ মিল-অমিল বিচাৰ কৰি অংকীয়া নাটত সূত্ৰধাৰৰ ভূমিকাৰ বিষয়ে আলোচনা কৰা।

(খ) 'ৰুক্মিণীহৰণ' নাটত শংকৰদেৱে কেনেধৰণে মৌলিকত্ব প্ৰদৰ্শন কৰিছে, বিচাৰ কৰা।

(গ) মাধবদেৱৰ 'অৰ্জুন ভঞ্জন' নাটত বাৎসল্য ৰসৰ জৰিয়তে কিদৰে ভক্তিৰ মাহাত্ম্য প্ৰকাশ পাইছে, উদ্ধৃতিসহ আলোচনা কৰা।

(ঘ) শংকৰোত্তৰ নাট হিচাপে 'জন্মযাত্ৰা' নাটৰ এক পৰ্যালোচনা আগবঢ়োৱা।

(ঙ) 'সুভদ্ৰাহৰণ' নাটৰ কম পৰিসৰতে নাট্যকাৰে চৰিত্ৰসমূহৰ বিশেষত্ব কিদৰে ফুটাই তুলিব পাৰিছে, বিশ্লেষণ কৰি দেখুওৱা।

(চ) অংকীয়া নাটৰ উপাদানসমূহৰ পৰিচয় প্ৰদান কৰি এক আলোচনা আগবঢ়োৱা।

★★★